চাৰিটা দোষ যাৰ ভিতৰত আছে, সি হৈছে প্ৰকৃত মুনাফিক। যাৰ মাজত এই চাৰিটা দোষৰ যিকোনো এটা আছে, সি সেইটো পৰিত্যাগ নকৰালৈকে তাৰ ভিতৰত মুনাফিকৰ এটা স্বভাৱ থাকি যায়। (সেই দোষ চাৰিটা হৈছে) যেতিয়া সি কথা কয়, মিছা মাতে, আৰু যেতিয়া সন্ধি বা চুক্তি কৰে তেতিয়া সেয়া অমান্য কৰে, এইদৰে যেতিয়া প্ৰতিশ্ৰুতি দিয়ে তেতিয়া ভঙ্গ কৰে, লগতে কাজিয়া লাগিলে গালি শপনি পাৰে।

আব্দুল্লাহ ইবনু আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "চাৰিটা স্বভাৱ যাৰ মাজত থাকিব, সি হৈছে
প্ৰকৃত মুনাফিক। আনহাতে যাৰ মাজত ইয়াৰ কোনো এটা স্বভাৱ থাকিব, সি এইটো পৰিত্যাগ নকৰালৈকে তাৰ মাজত মুনাফিকৰ এটা স্বভাৱ থাকি যাব। সেয়া হৈছেঃ কথা ক'লে, মিছা কথা কয়, প্ৰতিশ্ৰুতি দিলে ভংগ কৰে, বিবাদত লিপ্ত হ'লে অশ্লীল গালি শপনি পাৰে, চুক্তি কৰিলে বিশ্বাসঘাতকতা কৰে।"
[رواه البخاري ومسلم] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই হাদীছটোত সতৰ্ক কৰিছে যে, যদি চাৰিটা দোষ কোনো মুছলিমৰ ভিতৰত পোৱা যায়, তেন্তে ইয়াৰ কাৰণে সি মুনাফিকৰ দৰে গণ্য হয়। কিন্তু এই দোষবোৰে যদি তাক বেছি প্ৰভাৱিত কৰে তেতিয়াহে সি ইয়াৰ অন্তৰ্ভুক্ত হ'ব, অন্যথা কেতিয়াবা কেতিয়াবা এনেকুৱা দোষ হ'লে সেইটো ইয়াৰ অন্তৰ্ভুক্ত নহয়। সেই দোষবোৰ হৈছেঃ প্ৰথমঃ জানি বুজি মিছা কথা কোৱা, সত্য কথা নোকোৱা। দ্বিতীয়ঃ যেতিয়া কোনো চুক্তি কৰে তেতিয়া সেইটো পূৰা নকৰে, বিশ্বাসঘাতকতা কৰে। তৃতীয়ঃ যেতিয়া কোনো প্ৰতিশ্ৰুতি দিয়ে, তেতিয়া সেইটো পালন নকৰে, বৰং ভংগ কৰে। চতুৰ্থঃ যেতিয়া কাৰোবাৰ লগত তৰ্কত লিপ্ত হয় বা কাজিয়া কৰে তেতিয়া গালি শপনি পাৰিবলৈ ধৰে, আৰু সত্যৰ পৰা আঁতৰি যায়। আনকি প্ৰতিপক্ষক পৰাজিত কৰিবলৈ বাতিলৰ সহায় লয়, লগতে অসত্য আৰু মিছা কথা কয়। নিফাক হৈছে, ভিতৰত এটা আৰু বাহিৰত এটা প্ৰকাশ কৰা, এইবোৰ বৈশিষ্ট্য থকা লোকৰ ক্ষেত্ৰতো এইটো অৰ্থই প্ৰযোজ্য, কাৰণ সি কথা কোৱাৰ ক্ষেত্ৰত, প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত, আমানতৰ ক্ষেত্ৰত আৰু মানুহৰ লগত কৰা চুক্তিৰ ক্ষেত্ৰত এইটোৱে কৰে। আনহাতে ইছলামত মুনাফিক কোৱা হয় সেই ব্যক্তিক, যিয়ে অন্তৰত কুফৰী গোপন ৰাখে আৰু নিজকে মুছলিম বুলি পৰিচয় দিয়ে। এতেকে এনেকুৱা বৈশিষ্ট্যবোৰ যদি কোনো এটা বৈশিষ্ট্য কাৰো ভিতৰত থাকে তেন্তে সেইটো নিফাকৰ বৈশিষ্ট্য থকা বুলি বিবেচিত হ'ব, যেতিয়ালৈকে সি সেইটো পৰিত্যাগ নকৰে।

https://sunnah.global/hadeeth/as/show/66537


النجاة الخيرية
ALNAJAT CHARITY


لجنة الدعوة الإلكترونية
EDC
E-Da'wah Committee